# যোৰহাট জিলাৰ চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ শিকন-শিক্ষণৰ ক্ষেত্ৰত এক অৱলোকন (A Focus on Teaching Learning of Students belonging to Tea Tribes in Jorhat District.)

**পৰশ গোস্বামী**
**জিলা আঁচনি বিষয়া (শিক্ষক প্ৰশিক্ষণ) যোৰহাট**

**১. ভূমিকা**( Preamble)-

চাহ বাগিচাৰ দৰে প্ৰত্যাহ্বানপূৰ্ণ অঞ্চলত বিদ্যালয় নেতৃত্বই বেলেগ ধৰণৰ কৌশল আৰু কাৰ্য প্ৰয়োগ কৰি সাধাৰণ অঞ্চলৰ ছাত্ৰৰ সমকক্ষ কৰিবলৈ চেষ্টা কৰিব লগা হয়। চাহ জনগোষ্ঠী অন্য জনগোষ্ঠীসমূহৰ লগত সাংস্কৃতিক, সামাজিক আৰু অৰ্থনৈতিকভাৱে পৃথক। এই জনগোষ্ঠী শৈক্ষিক দিশত পিছ-পৰা আৰু বৰ্তমান প্ৰজন্মৰ সৰহ সংখ্যক শিশুৱেই প্ৰথম প্ৰজন্মৰ শিক্ষাৰ্থী৷ এনে অৱস্থাত চাহ বাগিচা অঞ্চলৰ শিশুবিলাকক উপযুক্ত আৰু উল্লেখনীয় বিদ্যালয়ৰ অভিজ্ঞতা প্ৰদান কৰাৰ বাবে বিদ্যালয়ৰ নেতৃত্বই চলি থকা অৱস্থাৰ বিষয়ে সম্পূৰ্ণ বুজি পাব লাগিব, তেওঁলোকৰ অভাৱ, শিশুবিলাকৰ লগতে চাহ বাগিচা অঞ্চলৰ সমাজখনৰো প্ৰত্যাশা কি সেয়া জানিব লাগিব। এই মডিয়ুলটোত যোৰহাট জিলাৰ চাহ বাগিচা অঞ্চলৰ বিদ্যালয়সমূহক বিশেষভাৱে দৃষ্টিবদ্ধ কৰা হৈছে৷

**২. শিকনৰ উদ্দেশ্য**(Learning Objectives)-

এই মডিয়ুলটো সম্পূৰ্ণ হ'লে আপোনালোকে জানিবলৈ সক্ষম হ'বঃ

ক) চাহ বাগিচা অঞ্চলৰ আৰ্থ-সামাজিক অৱস্থা বুজি পাব।

খ) শিক্ষকসকল আৰু বিদ্যালয় প্ৰধানসকলে বিদ্যালয়লৈ কঢ়িয়াই অনা নিৰ্দিষ্ট ধাৰণা বুজিব।

গ) ভাষিক ভিন্নতা বুজি পাব আৰু ছাত্ৰৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰিব।

ঘ) চাহ বাগিচা অঞ্চলত বিদ্যালয় – সমাজৰ সম্পৰ্ক।

ঙ) পাঠ্যক্ৰমৰ প্ৰাসংগিককৰণ আৰু শিক্ষাবিজ্ঞানৰ দ্বাৰা চাহ বাগিচা অঞ্চলৰ ছাত্ৰৰ শিকিবলগীয়া প্ৰয়োজনীয়তাখিনি লক্ষ্য কৰিব।

**৩. ব্যৱহৃত মূল শব্দ** (Key Words Used): বহুভাষিবাদ(Multilingualism), অনুপস্থিতি(Absenteeism), শিক্ষা বিজ্ঞান(Pedagogy), পৰিৱেশ(Environment), বৈচিত্ৰ্য (Diversity)I

| | |
|---|---|
| চাহ বাগিচা অঞ্চলৰ আৰ্থ-সামাজিক আৰু ভাষিক, বিভিন্নতাৰ সহায়ক ব্যাপক পৰিৱেশ গঢ়ি তোলক | ৪৫ মিনিট |
| সমাজৰ লগত অংশীদাৰিত্ব | ৪৫ মিনিট |
| পাঠ্যক্ৰম গ্ৰহণ আৰু পৰিৱৰ্তন উদ্ভাৱনৰ যোগেদি | ৪৫ মিনিট |

**চাহ বাগিচা অঞ্চলৰ আৰ্থ-সামাজিক আৰু ভাষিক বিভিন্নতাৰ সহায়ক হোৱাকৈ ব্যাপক পৰিৱেশ সৃষ্টি কৰক**(Create an inclusive environment conducive to socio-cultural and linguistic diversity of Tea garden area)-

চাহ অসমৰ এটা অন্যতম প্ৰধান উদ্যোগ আৰু ই ৰাজ্যিক আয়ৰ ১৭ শতাংশ অৱদান আগ বঢ়ায়। অসমত ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা দুয়োটাতে চাহ খেতি কৰা হয়।তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাঁও আৰু শোণিতপুৰ জিলাত অধিক সংখ্যক চাহ বাগিচা আছে। ভাৰতবৰ্ষত মুঠ উৎপাদিত চাহৰ ৫১ শতাংশ অসমেই উৎপাদন কৰে আৰু সমগ্ৰ বিশ্বৰ ১/৬ অংশ চাহ ইয়াত উৎপাদন হয় (অসম চৰকাৰৰ চৰকাৰী ৱেবচাইটত প্ৰকাশিত)। অসমৰ মুঠ জনসংখ্যা ৩০.১ মিলিয়নৰ ভিতৰত ১৭ শতাংশ চাহ জনগোষ্ঠীৰ লোক। অসমৰ চাহ উদ্যোগৰ ইতিহাস চালে দেখা যায় যে চাহ উদ্যোগত কাম কৰা লোকসকল অসমৰ মূল বাসিন্দা নহয় ।এই জনগোষ্ঠীটোৰ উপৰিপুৰুষসকল ১৮৩৪ চনৰ পৰা ভাৰতৰ বিভিন্ন স্থানৰ পৰা অসমলৈ আহিছিল। বৰ্ণমিশ্ৰতাই এই জনগোষ্ঠীটোক চাহ বাগিচাৰ কাষৰীয়া অঞ্চলৰ গাঁওবিলাকৰ অন্যান্য পিছপৰা শ্ৰেণী – যেনে অনুসূচিত জাতি, অনুসূচিত জনজাতি আদিৰ লগত পৃথক কৰি ৰাখিছে।

বৰ্তমান আপুনি এজন বিদ্যালয়ৰ মুৰব্বী হিচাপে বুজি পাইছে আৰু সম্ভৱতঃ চাহ বাগিচা অঞ্চলৰ ছাত্ৰৰ আৰ্থ-সামাজিক আৰু ভাষিক ভিন্নতাৰ বাবে সৃষ্টি হোৱা প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে।

**বৈঠক-১(Session-1)**

| কাৰ্যাৱলী | সময়সীমা | আশা কৰা ফলাফল |
|---|---|---|
| পাঠপঢ়া<br>আৰম্ভ কৰিব ২৭নং লাইন এল.পি. স্কুল, মুৰমুৰীয়া চাহ বাগিচা, যোৰহাট | ১৫ মিনিট | বিদ্যালয়ৰ প্ৰধান হিচাপে অংশগ্ৰহণকাৰীৰ প্ৰতিক্ৰিয়া লক্ষ্য কৰক |
| ইয়াৰ পাছত বিষয় অধ্যয়ন ভিত্তিত সৰু সৰু দলৰ মাজত দলীয় আলোচনা | ২০ মিনিট | |
| একত্ৰিকৰণ আৰু নিজৰ বিদ্যালয়ৰ প্ৰেক্ষাপটত শিক্ষা গ্ৰহণ | ১০ মিনিট | |

**বিষয় অধ্যয়ন-** বিদ্যালয়ে বিভিন্ন জীৱন দক্ষতাৰ উপায় বিচাৰি উলিয়াব(School as way of life developing various life skills)

জিলাঃ যোৰহাট(Jorhat District)

বিদ্যালয়ঃ মুৰমুৰীয়া ২৭নং লাইন এল.পি. স্কুলখন ২০১১ চনত শিক্ষা নিশ্চিতকৰণ আঁচনি (EGS)ত অন্তৰ্ভুক্ত হয়। ইয়াত ২০০৪-০৫ চনত EGS কেন্দ্ৰ স্থাপন কৰা হয়। যিহেতু এই কেন্দ্ৰই ছাত্ৰৰ লগতে সমাজৰ উন্নয়নৰ বাবেও কাম কৰে, ই এখন পূৰ্ণ বিকশিত চৰকাৰী বিদ্যালয় হিচাপে গঢ়ি উঠে। সমাজ, চৰকাৰী সাহায্যৰ সহায়ত আৰু বিদ্যালয়ৰ শিক্ষকসকলৰ কঠোৰ শ্ৰমৰ ফলত এই বিদ্যালয়খনে দিনক দিনে সকলো ক্ষেত্ৰতে আগবাঢ়ি যাবলৈ ধৰিলে।

**শিক্ষক(**About the teacher)- এই বিদ্যালয়খনত দুগৰাকী শিক্ষক আছে। প্ৰধান শিক্ষক শ্ৰীআদিত্য মণ্ডল, স্ব-অনুপ্ৰাণিত আৰু কঠোৰ পৰিশ্ৰমী শিক্ষক। তেওঁ শ্ৰেণীকোঠাসমূহৰ কাৰ্যাৱলী এনেদৰে প্ৰস্তুত কৰিছে যে ছাত্ৰসকলে শ্ৰেণীকোঠাত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিব পাৰে। ছাত্ৰসকলক শিকন পদ্ধতি শিকায়, তেওঁলোকে নিজেই শিকে।

তলত পৰীক্ষামূলক শিকনৰ বৰ্ণনা দিয়া হৈছে-

**১) কাৰ্য(**The Practices)- এইটো কোৱা হয় যে আমি পঢ়িবলৈ শিকিলে সকলো পথৰ দুৱাৰ খোল খাব, পঠনৰ যোগেদি, মগজুৰ জ্ঞান আৰু বিকাশ হয়, প্ৰত্যেক বিদ্যালয়তে বিদ্যালয়ৰ পুথিভঁৰালৰ ধাৰণাটো

শিক্ষাৰ বাবে অতি প্ৰয়োজনীয়৷ এই বিদ্যালয়তো, পুথিভঁৰালৰ ধাৰণাটো সম্পূৰ্ণৰূপে সংগঠিত৷ এখন প্ৰাথমিক বিদ্যালয়ৰ পুথিভঁৰালত থাকিব লগা সকলো গুণেই এই বিদ্যালয়ৰ পুথিভঁৰালত আছে, যেনে ... কিতাপসমূহ এনেদৰে ৰখা হৈছে যে ছাত্ৰসকলে বেটুপাতটো দেখা পায়, কিতাপসমূহ শ্ৰেণীবদ্ধভাৱে আৰু দক্ষতাভিত্তিক সজোৱা হৈছে। বিতৰণ ব্যৱস্থাও বৰ ভাল আৰু পদ্ধতিগত। ইয়াত সকলো ছাত্ৰ জড়িত হয়।

**কেনেকৈ কাম কৰে**( How it works)-এই পুথিভঁৰালৰ ধাৰণাটো আৰম্ভ কৰে আদিত্য মণ্ডলে যেতিয়া তেওঁ শৈক্ষিক স্বেচ্ছাসেৱক হিচাপে কাম কৰিছিল তেতিয়াৰ EGS কেন্দ্ৰত – প্ৰথম অৱস্থাত মাত্ৰ কেইখনমান কিতাপ লৈ, শিক্ষক শ্ৰীআদিত্য মণ্ডলে প্ৰথম অৱস্থাত স্কুল বেগ লাইব্ৰেৰী ধাৰণাটো আৰম্ভ কৰে যোৰহাট জিলাৰ EGS কেন্দ্ৰত দিচৈ ভেলী লায়ন্স ক্লাব, যোৰহাটৰ সহযোগত ২০০৬ চনত, তেওঁ কিতাপৰ টোপোলাসমূহ তেওঁৰ চাইকেলত কঢ়িয়াই আনি সেইসমূহ গাঁওবাসী, ছাত্ৰ আৰু অভিভাৱক আদিক বিতৰণ কৰে। এই মহান কাৰ্যৰ অংশ হিচাপে উক্ত ক্লাবে বুজন পৰিমাণৰ কিতাপ আৰু কিতাপ থ'বলৈ এটা আলমাৰি ২০০৮ চনত আগবঢ়ায়।

এই অৱস্থাৰ পৰাই বিদ্যালয়খনত পুথিভঁৰালৰ ধাৰণাতো দিনক দিনে বাঢ়ি আহিল৷ কিতাপৰ বেটুপাতসমূহ ধুনীয়াকৈ সজাই ৰখা হয় আৰু ইয়ে ছাত্ৰসকলক আকৰ্ষিত কৰে৷ ছাত্ৰসকল পুথিভঁৰাললৈ আহে আৰু তেওঁলোকৰ পছন্দ মতে কিতাপ নিৰ্বাচন কৰে, তাৰ পাছত ভৰ্তি প্ৰক্ৰিয়া সম্পন্ন কৰে৷ বৰ্তমান ইয়াত এক অনন্য পদ্ধতি চলি আছে যে – এই পুথিভঁৰালটো এজন ছাত্ৰ পুথিভঁৰালীৰ দ্বাৰা পৰিচালিত হৈছে। বিদ্যালয়ৰ শিক্ষকসকলে এই পুথিভঁৰালীজনক ইমান সুন্দৰকৈ প্ৰশিক্ষণ দিলে যে এজন শিক্ষকৰ অবিহনেও এই ছাত্ৰজনে পুথিভঁৰালটো চলাবলৈ সমৰ্থ হৈছে।

এই পদ্ধতিটো নিৰবিচ্ছিন্নভাৱে প্ৰতিটো শ্ৰেণীৰ ছাত্ৰৰ দ্বাৰা চলাই থকা হৈছে৷ এইটো ছাত্ৰৰ নেতৃত্ব গুণ প্ৰাথমিক অৱস্থাতে বিকাশ কৰাৰ অতি উপযুক্ত পদক্ষেপ৷ এনে দায়িত্বপূৰ্ণ কাৰ্যই তেওঁলোকক ব্যৱস্থাটোৰ লগত সংযুক্ত হোৱাত সহায় কৰাৰ লগতে সৰ্বান্তকৰণে প্ৰতিষ্ঠানটোক সহায় কৰাৰ লগতে ভৱিষ্যতে এজন ভাল নেতা সৃষ্টি কৰাত সহায় কৰে৷



ছাত্ৰসকল তেওঁলোকৰ পছন্দৰ কিতাপ বিচৰাত ব্যস্ত।

পুথিভঁৰালী ছাত্ৰজনে এখন ৰেজিষ্টাৰত প্ৰতিটো ছাত্ৰৰ নামৰ লগতে তেওঁলোকৰ শ্ৰেণী আৰু ৰোল নং লিপিবদ্ধ কৰে৷ যেতিয়া এজন ছাত্ৰই পুথিভঁৰালৰ পৰা এখন কিতাপ লয় তেতিয়া তেওঁৰ সম্পূৰ্ণ বিৱৰণ... নাম, শ্ৰেণী, কিতাপ লোৱাৰ তাৰিখ, পূৰ্বৰ কিতাপ ঘূৰাই দিয়াৰ তাৰিখৰ লগতে এটা মতামতসহ – কিতাপখন ছাত্ৰজনে ভাল পালেনে বা তেওঁ/সি ইয়াৰপৰা কি শিকিলে ইত্যাদি লিপিবদ্ধ কৰে৷ সেয়ে ছাত্ৰজনে পুথিভঁৰালৰ পৰা নিয়া কিতাপখন ভালদৰে পঢ়ে, যিটো এটা বৰ ভাল পদক্ষেপ বুলি কোৱা হৈছে।

এই ভাল ব্যৱস্থাটো বিদ্যালয়খনত ইটোৰ পিছত সিটো দল হিচাপে চলাই থকা হৈছে৷ ইয়াৰ আগতে, বিদ্যালয়ৰ শিক্ষকসকলে পুথিভঁৰালীৰ ভূমিকা পালন কৰি আহিছিল কিন্তু এতিয়া আমি ক'ব পাৰোঁ যে- বিদ্যালয়ৰ পুথিভঁৰাল ছাত্ৰসকলৰ পুথিভঁৰাল, ছাত্ৰৰ দ্বাৰা আৰু ছাত্ৰৰ বাবে (we may say- The school library is a library of students, by the students, for the students)

তলত এটা লিংক দিয়া হৈছে যিটোৰে ছাত্ৰসকলে কেনেকৈ পুথিভঁৰালটো সুন্দৰকৈ চলাইছে সেয়া দেখুৱাইছে –

https://drive.google.com/file/d/14.J9wTOn5YAdhETyx-9e8brCdiTsG2zv/view?usp=Sharing

**২) অনুশীলন** (The practices)-এই বিদ্যালয়ত বাগিচা পতাৰ ধাৰণাটো ছাত্ৰসকলে বৰ সুন্দৰকৈ প্ৰদৰ্শন কৰিছে৷ তেওঁলোকক কেনেকৈ গছপুলি ৰুব লাগে, গছৰ কেনেকৈ যত্ন ল'ব লাগে, পানী দিয়াৰ সময়, জৈৱিক সাৰ প্ৰয়োগ আদি বিষয়সমূহ শিকোৱা হৈছিল, ছাত্ৰসকলে এই কামটো অতি আগ্ৰহেৰে

তেওঁলোকৰ শিক্ষক শ্ৰীআদিত্য মণ্ডলৰ নেতৃত্বত নিয়াৰিকৈ সম্পন্ন কৰে৷ প্ৰতিবছৰে ঋতুকালীন বিভিন্ন পাচলি আৰু ফলৰ খেতি কৰা হয়৷

**কেনেকৈ তেওঁলোকে কাম কৰে**(How it works)- এখন পাচলিৰ বাগিচা বা ফুলৰ বাগিচাৰ বাবে, বহুতো সম্পদ প্ৰয়োজন হয়, যেনে, গছপুলি, সাৰ, মাটি, শ্ৰমিক ইত্যাদি আৰু এই সকলোবোৰ শিক্ষক আৰু ছাত্ৰসকলে যোগাৰ কৰে৷ শিক্ষক আদিত্য মণ্ডলে খালী বস্তাসমূহ বিক্ৰী কৰি সেই পইচাৰে নতুন শাক-পাচলিৰ পুলি কিনে৷ ছাত্ৰসকলে তেওঁলোকৰ ঘৰৰ পৰা গৰুৰ গোবৰ বিদ্যালয়লৈ আনে৷ তেওঁলোকে বিদ্যালয়ৰ পাচলি বাগিচাত নিয়মীয়াকৈ কাম কৰে৷




এই অভ্যাসে ছাত্ৰসকলক গোটেই জীৱনৰ বাবে সহায় কৰিব । তেওঁলোকৰ এই জড়িতকৰণে তেওঁলোকক কামৰ প্ৰতি দায়িত্ব প্ৰদান কৰিব। যেতিয়া তেওঁলোকে নিজৰ চেষ্টা আগ বঢ়াব, সময় খৰচ কৰিব, তেতিয়া তেওঁলোকে ইয়াৰ গুৰুত্ব বুজি পাব যিটো তেওঁলোকৰ এই বয়সত অতি গুৰুত্বপূৰ্ণ শিক্ষা, বাঢ়ি অহা শাক-পাচলিবোৰে তেওঁলোকক আনন্দিত কৰে আৰু তেওঁলোকে ইয়াৰ মূল্য বুজি পায় । বাঢ়ি অহা শাক-পাচলিবোৰ ওচৰৰ সাপ্তাহিক বজাৰত শিক্ষকৰ নেতৃত্বত বিক্ৰী কৰা হয় । এই গোটেই পদ্ধতিটোৰ যোগে ছাত্ৰসকলে কামৰ মূল্য আৰু কেনেকৈ ইয়াক লাভ কৰা যায় সেই বিষয়ে ছাত্ৰসকলে গোটেই জীৱনটোৰ বাবেই এটা ভাল পাঠ আহৰণ কৰে।





তেওঁলোকে লগতে এখন ফুলনিও কৰে আৰু ফুলি থকা ফুলবোৰে ছাত্ৰসকলৰ মনবোৰ আনন্দিত কৰে আৰু গোটেই বিদ্যালয়ৰ পৰিৱেশ সুন্দৰ কৰি তোলে৷



**৩) পদ্ধতি**(The method that works)-ছাত্ৰৰ অধ্যয়ন আৰু মৌখিক ভাষা উন্নয়নৰ আগ্ৰহ বৃদ্ধি কৰিব লাগে৷ তলৰ শ্ৰেণীৰ ছাত্ৰসকলে ভাষা শিকন সহজে আয়ত্ত কৰিব পাৰে আৰু এই আগ্ৰহ বৃদ্ধি কাৰ্যাৱলীৰ ফলত তেওঁলোকে উচ্চ শ্ৰেণীত একো অসুবিধাৰ সন্মুখীন নহয়, বিদ্যালয়ত উপস্থিতিৰ হাৰো বৃদ্ধি পায় । এনে অঞ্চলসমূহত অভিভাৱকসকল সচেতন বা আৰ্থিকভাৱে সক্ষমো নহয় । এই সঁজুলি আৰু কৌশলে তেওঁলোকক বহুত সহায় কৰে৷ তেওঁলোক অধ্যয়ন আৰু বিদ্যালয়লৈ অহাৰ ক্ষেত্ৰত অধিক প্ৰভাৱিত হয়৷ ই ছাত্ৰ আৰু শিক্ষকসকলক শ্ৰেণীসমূহ নিয়াৰিকৈ চলাই নিয়াত সহায় কৰে । যেতিয়া এজন ছাত্ৰ প্ৰভাৱিত হয়, সেইটোৱে তেওঁৰ অভিভাৱক আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সদস্যসকলকো প্ৰভাৱিত কৰে। আদিত্য মণ্ডল নামৰ বিদ্যালয়খনৰ শিক্ষকজনে এই ক্ষেত্ৰত প্ৰকৃততে এটা বৰ ভাল কাম কৰিলে।

হেৰিটেজ আছাম নামৰ এটা স্বেচ্ছাসেৱী সংগঠনে ইউনিচেফৰ সহযোগত ২০০৯ চনৰ পৰাই সাধু কোৱাৰ যোগেদি যোৰহাট আৰু ডিব্ৰুগড় জিলাৰ চাহ বাগিচা অঞ্চলবোৰত চাহ জনজাতিৰ শিশুবোৰৰ মাজত ভাষাৰ দক্ষতা বৃদ্ধিৰ বাবে কাম কৰি আহিছে৷ তেওঁলোকে এক কাৰ্যকৰী ব্যৱস্থাৰে মাতৃভাষা আৰু বিদ্যালয়ৰ ভাষা প্ৰথম পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এটা বহুভাষিক পৰিস্থিতি সৃষ্টি কৰে৷ শ্ৰীআদিত্য মণ্ডলে বিদ্যালয়ত যোগদান কৰাৰ আগতে ২০০৯ চনত ইউনিচেফ-অসমৰ পৰা সাধু কোৱাৰ প্ৰশিক্ষণ গ্ৰহণ কৰে৷



ছাত্রক আখৰ চিনাকি(Students recognizing letters)



**ছাত্রৰ দ্বাৰা সাধু কোৱা(**Story telling by the students)

**কেনেকৈ এই কাৰ্যাৱলী পৰিচালনা কৰা হয়** (How to conduct the activity**)**

**পদ্ধতি**(Method)-দলীয় কাৰ্যাৱলীঃ অংশগ্ৰহণকাৰীসকলে যোৰহাট জিলাৰ মুৰমুৰীয়া চাহ বাগিচাৰ ২৭ নং লাইন এল.পি. স্কুলৰ কাৰ্যাৱলী অধ্যয়ন কৰিব।

**পৰামৰ্শমূলক পদক্ষেপ**(Suggested steps)- ঘটনা অধ্যয়ন কৰিব (মৌন পঠন), ইয়াৰ পাছত সৰু সৰু দলত গোট খাই আলোচনা কৰিব।

**প্ৰতিফলিত প্ৰশ্ন**(Reflective questions)

১. চাহ বাগিচা অঞ্চলৰ বিদ্যালয় নেতৃত্বৰ মুখ্য সৰ্বাংগীন লক্ষ্য কি বুলি আপুনি ভাবে?

২. এইটো অন্য অঞ্চলৰ বিদ্যালয়ৰ বাবেও প্ৰযোজ্য হয়নে ?

৩. চাহ বাগিচা অঞ্চলৰ বিদ্যালয় নেতৃত্বই বিদ্যালয়খন কেনেকৈ আগবঢ়াই নিব ?

**সাহায্যকাৰীসকললৈ টোকা**(Note to the facilitator)

যিহেতু এইটো আৰম্ভণি কাৰ্যসূচী সেয়ে প্ৰতিজন অংশগ্ৰহণকাৰীৰ প্ৰতিফলন জানিবলৈ বিচাৰিব৷ এইটো পৰামৰ্শ দিয়া হৈছে যে প্ৰতিজন অংশগ্ৰহণকাৰীক যাতে সুবিধা দিয়া হয়৷

**বৈঠক ২ : সমাজৰ অংশীদাৰিত্ব**(Partnership with community)

অন্যান্য প্ৰত্যাহ্বানজনক অঞ্চলত থকা বিদ্যালয়ৰ দৰে চাহ বাগিচা অঞ্চলত অৱস্থিত বিদ্যালয়সমূহেও বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হয়- যেনে শিক্ষকৰ কম দায়িত্ব পালন, কম শিকন ফলাফল, অভিভাৱকৰ সচেতনতাৰ অভাৱ, অনিয়মীয়া উপস্থিতি, নিম্নমানৰ অধ্যক্ষ বাছনি পদ্ধতি আৰু উচ্চ কৰ্তৃপক্ষৰ সামান্য সহযোগিতা । এনে পৰিস্থিতিত বিদ্যালয় নেতৃত্বই এনে অকল্পনীয় পৰিস্থিতি চম্ভালি ল'ব লগা হয় আৰু বিদ্যালয়ৰ অৱস্থিতিমতে প্ৰসংগৰ আকাৰ দিব লগা হয় ।

| কাৰ্যাৱলী | সময় সীমা | আশা কৰা ফল |
|---|---|---|
| অংশগ্ৰহণকাৰীক চিনাক্তকৰণ আৰু তেওঁলোকক নিযুক্তিকৰণ | ১৫ মিনিট | অংশগ্ৰহণকাৰীসকলৰ অংশ গ্ৰহণৰ প্ৰয়োজনীয়তা চিনাক্ত কৰক৷ প্ৰতিটো ছাত্ৰৰ শিকন উন্নীতকৰণত অংশগ্ৰহণকাৰী সকলৰ ভূমিকা |
| অংশগ্ৰহণ, প্ৰতিফলন | ২৫ মিনিট | |
| একত্ৰিকৰণ | ৫ মিনিট | |

**পদ্ধতি(Method)- দলীয় কাৰ্যাৱলী**(Group Activities)

**পৰামৰ্শমূলক পদক্ষেপ**(Suggested steps)

- পৰামৰ্শদাতাই অংশগ্ৰহণকাৰীসকলক বিদ্যালয়ে বিভিন্ন বিষয়ত মনোযোগ সৃষ্টি কৰাৰ বিষয়ে ক'ব যেনে:
- অভিভাৱকসকলে বিদ্যালয়ৰ কাৰ্যাৱলী, শিক্ষকসকলে শিকাবলৈ আৰু ছাত্ৰসকলে শিক্ষাগ্ৰহণ কৰিব বিচাৰে৷
- শিক্ষকে নিজৰ উন্নয়ন আৰু শিশুৰ শিকন ফলাফল উন্নত হোৱাটো বিচাৰে৷
- শিশুবিলাকে এটা নিৰাপদ আৰু উদ্দীপক পৰিৱেশৰ লগতে ভৱিষ্যত জীৱন সুৰক্ষিত কৰাৰ প্ৰতিশ্ৰুতি বিচাৰে৷
- সমাজে তেওঁলোকৰ সংস্কৃতি নিৰাপদ হোৱাটো বিচাৰে৷
- বিদ্যালয় পৰিচালনা সমিতিয়ে শিক্ষক আৰু অভিভাৱকসকল অধিক দায়বদ্ধ আৰু নিয়মীয়া হোৱাটো বিচাৰে৷
- সাহায্যকাৰীসকলে পাঁচটা দল গঠন কৰিব৷
- সাহায্যকাৰীক নিম্নলিখিত চাৰ্ট/শ্লাইড প্ৰদৰ্শন কৰি অংশগ্ৰহণকাৰীসকলক কোনে তলৰ প্ৰতিটো অৱস্থাত কাৰ্যকৰীভাৱে কাম কৰিব পাৰিব সেয়া চিনাক্ত কৰিবলৈ দিব৷

সাহায্যকাৰীসকলে ৬টা গোট গঠন কৰিব আৰু প্ৰতিটো গোটক এটাকৈ পৰিস্থিতিৰ প্ৰতিফলন কৰিবলৈ দিব৷

| | | |
|---|---|---|
| অত্যধিক ছাত্ৰ আৰু অপৰ্যাপ্ত শিক্ষক | বিদ্যালয়ত প্ৰয়োজন অনুসৰি খোৱাপানী আৰু অনাময় ব্যৱস্থাৰ | অধিক সংখ্যক ছাত্ৰই কম শিকন ক্ষমতাযুক্ত |

| | | |
|---|---|---|
| | অভাৱ | |
| যেতিয়া মাক-বাপেক কামলৈ যায় তেতিয়া ছোৱালীবিলাকে ঘৰত থাকি ভাই-ভনীবোৰক চোৱা-চিতা কৰিব লাগে | কম বয়সত বিয়া | প্ৰায় ৫০ শতাংশ ছাত্ৰই ব'ৰ্ডৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰে |

**সাহায্যকাৰীসকললৈ টোকা**(Note to the Facilitator)

অংশগ্ৰহণকাৰীসকলক উল্লিখিত বিদ্যালয়ৰ প্ৰত্যাহ্বানসমূহ চিনাক্তকৰণ কৰিবলৈ আৰু এই প্ৰত্যাহ্বান সমাধান কৰিবলৈ অংশগ্ৰহণকাৰীসকলৰ সম্ভাব্য ভূমিকা নিৰ্বাচনৰ বাবে ১৫ মিনিট সময় দিব৷ সাহায্যকাৰীয়ে প্ৰতিটো গোটক আলোচনা কৰি মতামত প্ৰকাশ কৰিবলৈ ৫ মিনিট সময় দিব৷

**প্ৰতিফলিত প্ৰশ্নসমূহ**(Reflective Questions)

সমস্যা/বিষয়ৰ (মেপিং) জড়িত উপযুক্ত অংশগ্ৰহণকাৰী চিনাক্ত কৰক৷

১. কোনজন অংশগ্ৰহণকাৰীয়ে তালিকাভুক্ত সমস্যা সমাধান কৰিব পাৰিব বুলি আপুনি ভাবে বা এই সমস্যাটো সম্পৰ্কে ক'ব পাৰে?

২. ওপৰত দিয়া সমস্যাসমূহত আপুনি কেনেকৈ অংশগ্ৰহণকাৰীসকলক জড়িত কৰিব?

**মুখ্য বাৰ্তা**(Key messages)

- বিদ্যালয়ত বিভিন্ন ধৰণৰ অংশগ্ৰহণকাৰী থাকে।
- প্ৰতিজন অংশগ্ৰহণকাৰীৰ বিদ্যালয়ত দায়িত্ব পালন/আগ্ৰহ আছে।
- প্ৰতিজন অংশগ্ৰহণকাৰীৰ অংশগ্ৰহণ প্ৰয়োজনীয়।

**বৈঠক ৩: পাঠ্যক্ৰম গ্ৰহণ আৰু উদ্ভাৱনৰ যোগেদি পৰিৱৰ্তনঃ ৪৫ মিনিট(Adopting curriculum and transformation through innovation-45 minutes)**

ইয়াৰ বাবে হেৰিটেজ আছাম নামৰ স্বেচ্ছাসেৱী সংগঠনে ইউনিচেফ, অসমৰ সহযোগত ২০০৯ চনৰ পৰা ভাষাৰ দক্ষতা বৃদ্ধি আৰু বুজাৰ বাবে সাধু কোৱাক এক পদ্ধতি হিচাপে গ্ৰহণ কৰি যোৰহাট, ডিব্ৰুগড়, শোণিতপুৰ আৰু তিনিচুকীয়া জিলাৰ চাহ জনগোষ্ঠীৰ শিশুসকলৰ মাজত কাৰ্যকৰী কৰি আহিছে৷ এতিয়ালৈকে এই কাৰ্যসূচী ১০০ টা স্থানত আৰু ১০,০০০তকৈও অধিক শিশুক সামৰি চলাই থকা হৈছে৷

https://youtu.be/An-vOCJA7YM

এই কাৰ্যাৱলী কেনেকৈ চলোৱা হৈছে (How to conduct the activity)

পদ্ধতিঃ 'সাধু কোৱাৰ যাদু' ভিডিঅ'(Method-Video on Magic of storytelling)

**পৰামৰ্শমূলক পদক্ষেপ**( Suggestive Steps)

- অংশগ্ৰহণকাৰীসকলক 'সাধু কোৱাৰ যাদু' ভিডিঅ'টো প্ৰদৰ্শন কৰক৷

- ভিডিঅ'টোত দেখুৱা শিক্ষণৰ উদ্ভাৱনীমূলক প্ৰক্ৰিয়া, শিশুৰ উৎসাহ বৃদ্ধি আৰু শিক্ষকৰ কৰ্তব্য সম্পৰ্কে আলোচনা কৰক।

**প্ৰতিফলনমূলক প্ৰশ্নাৱলী(**Reflective Questions)

- এজন বিদ্যালয়ৰ প্ৰধান হিচাপে আপুনি শিক্ষকসকলক উদ্ভাৱনী পদ্ধতি ব্যৱহাৰ কৰিবলৈ কি সুবিধা আগবঢ়াইছে আৰু তেওঁলোকক কেনেকৈ উৎসাহ যোগাইছে?
- আপুনি আপোনাৰ বিদ্যালয়ৰ শিক্ষকসকলক উদ্ভাৱনীমূলক শিকন পদ্ধতি প্ৰয়োগ কৰিবলৈ উৎসাহিত কৰিছেনে?

**সামৰণি(**Conclusion):

যোৰহাট জিলাৰ চাহ বাগিচা অঞ্চলৰ আৰ্থ-সামাজিক অৱস্থা অসমৰ অন্য স্থানৰ চাহ বাগিচা অঞ্চলসমূহৰ সৈতে প্ৰায় একে। বিভিন্ন গৱেষণাৰ পৰা পোৱা গৈছে যে- চাহ জনগোষ্ঠীৰ লোকসকলৰ মাজত বিভিন্ন ক্ষেত্ৰত যেনে – শিক্ষাৰ প্ৰয়োজনীয়তা, সঞ্চয়ৰ প্ৰয়োজনীয়তা, পৰিয়াল পৰিকল্পনা আদি বিষয়ত সচেতনতা তেনেই সামান্য। এইটো দেখা গৈছে যে তেওঁলোক কেৱল শিক্ষাৰ ক্ষেত্ৰতে অসচেতন নহয়, তেওঁলোক তেওঁলোকৰ বাবে আয়োজন কৰা বিভিন্ন কাৰ্যসূচী/আঁচনি আদিৰ ক্ষেত্ৰতো সচেতন নহয়।

চাহ জনগোষ্ঠীৰ লোকসকল শিক্ষাৰ দিশত অনগ্ৰসৰ হোৱাৰ বিষয়টো যোৱা দশকটোত বিভিন্ন অধ্যয়নৰ দ্বাৰা প্ৰমাণিত হৈছে। ১৯৯৪ ডি পি ই পি অসমৰ ৯ খন জিলাৰ চাহ জনগোষ্ঠীৰ মাজত কাৰ্যকৰী কৰি চিনাক্তকৰণেৰে কৰি বিশেষ ফ'কাছ গ্ৰুপ গঠন কৰা হয় (DPEP, 1996) । সৰ্বশিক্ষা অভিযানৰ প্ৰাক প্ৰকল্প জৰিপত দেখা গ'ল যে – চাহ বাগিচা অধ্যুষিত জিলাসমূহত সৰ্বাধিক ছাত্ৰ বিদ্যালয়ৰ বাহিৰত থাকে (SSA, Assam, 2003)। সেয়ে সৰ্বশিক্ষা অভিযানে চাহ বাগিচা অঞ্চলসমূহত বিশেষ মনোযোগ অঞ্চল হিচাপে গণ্য কৰি তেওঁলোকৰ বাবে বহুতো কাৰ্যসূচী গ্ৰহণ কৰে।

শিক্ষকসকলে চাহ বাগিচা অঞ্চলৰ আৰ্থ-সামাজিক অৱস্থা আয়ত্ত কৰিহে পাঠদান কৰিব লাগিব । কিয়নো চাহজনগোষ্ঠী অন্য জনগোষ্ঠীসমূহৰ লগত সাংস্কৃতিক, সামাজিক আৰু অৰ্থনৈতিকভাৱে পৃথক। শিক্ষক আৰু বিদ্যালয় প্ৰধানে বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীসকলে কঢ়িয়াই অনা নিৰ্দিষ্ট ধাৰণা আৰু ভাষা বুজিব লাগিব। তেতিয়াহে শিক্ষকসকলে ভাষিক ভিন্নতা বুজি পাব, ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰিব আৰু চাহ বাগিচা অঞ্চলত বিদ্যালয় – সমাজৰ সম্পৰ্ক সুদৃঢ় কৰিব পাৰিব। পাঠ্যক্ৰমৰ প্ৰাসংগিককৰণ আৰু শিক্ষাবিজ্ঞানৰ দ্বাৰা চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ শিকিবলগীয়া প্ৰয়োজনীয়তাখিনি লক্ষ্য কৰি প্ৰয়োজনীয় সংযোগীসমল প্ৰস্তুত কৰি ল'ব।

**সম্বন্ধীয় পাঠ্যপুথি/লিংক (References) :-**

1. Barua, D.P. (2006).*Tea Industry of Assam: Origin& Development. Guwahati: Eastern Book House.*
2. Bhyuan, S.K. (1974). *Anglo-Assamese Relations: 1771-1826: A History of the Relations of Assam with the East India Company from 1771 to 1826.Guwahati: Lawyer's book Stall.*
3. Goswami & Tamuly. *Oral literature – An initiative for language skill development. A paper present at the National Seminar organized by DCB College*.

4. Jhingran, D.(2015,09.21).*BICS and CALP. Retrieved from Language learning:*
5. *www.languagendlearning.in/pdfs/contents/ BICS and CALP.pdf*
6. NCERT (2005). *National Curriculum Framework, New Delhi: National Council of Educational Research and Training.*
7. NCERT (2006). *Position Paper Nation Focus Group on teaching of Indian Languages.*
8. Sarma. N (2012) *Universalisation of Elementary Education among Tea-Tribe of Assam with special reference to Jorhat District.*
9. SWARA, NMRC *Newsletter, Sept, 2010 volume 1 issue 4 .*
10. Tamuly, Goswami, Das and Jeroo Master. *A paper presented at the seminar, organized by SCERT, Assam.*
11. Unicef, 2013.*Storytelling Experience from Tea Garden of Assam*.
12. Kundu Satyaranjan, *INJHAAR*. A case study on Sadri language of Sonitpur District in Assam.